**উপ-সাগৰীয় যুদ্ধ (The Gulf War, 1970-91) ঃ**

উপ-সাগৰীয় যুদ্ধখনক কুৱেটৰ মুক্তিৰ কাৰণে হোৱা যুদ্ধ বা কুৱেটৰ মুক্তি যুদ্ধ নামে জনা যায়। ইৰান আৰু ইৰাকৰ মাজত হোৱা যুদ্ধখনক প্ৰথম পাৰ্চীয়ান উপ-সাগৰীয় যুদ্ধ নামে জনা যায়। তেনেদৰে ইৰাক-কুৱেটৰ মাজৰ যুদ্ধক দ্বিতীয় পাৰ্চীয়ান উপসাগৰীয় যুদ্ধ বুলি জনা যায়। ইৰানত এই যুদ্ধখনক শক্তিৰে আৰোপ কৰা যুদ্ধ বা Imposed War আৰু পবিত্ৰ প্ৰতিৰোধ (Holy defense) আখ্যা দিয়া হৈছিল। আনহাতে ইৰাকৰ ৰাষ্ট্ৰপতি চাদ্দাম হুছেইনে এই যুদ্ধক 'ঘূৰ্ণী বতাহ' (Whirl Wind) বুলি কৈছিল। ইৰান-ইৰাক যুদ্ধক প্ৰথমতে উপ-সাগৰীয় যুদ্ধ বা গালফ্ যুদ্ধ বুলি উল্লেখ কৰিছিল ১৯৯০ আৰু ১৯৯১ চনৰ পাৰ্চীয়ান উপ-সাগৰীয় যুদ্ধৰ সময়লৈ। ইয়াৰ পিছতহে এই যুদ্ধক প্ৰথম পাৰ্চীয়ান উপসাগৰীয় যুদ্ধ বুলি কোৱা হৈছিল। সেইমতে ইৰাক-কুৱেটৰ যুদ্ধক দ্বিতীয় উপসাগৰীয় বুলি কোৱা হৈছিল।

উপসাগৰীয় যুদ্ধ ১৯৯১ চনৰ ১৭ জানুৱাৰীত আৰম্ভ হৈছিল আৰু সেই বছৰৰে ২৪ ফেব্ৰুৱাৰীত ইৰাকৰ পৰাজয় আৰু কুৱেটৰ মুক্তিৰ লগে লগে অন্ত হৈছিল। ইৰাক আৰু কুৱেটৰ মাজত ১৯৯০ চনৰ ২ আগষ্টত আৰম্ভ হৈছিল যেতিয়া ইৰাকী বাহিনীয়ে কুৱেট আক্ৰমণ কৰি ইয়াক দখল কৰিছিল। ইৰাকে যুদ্ধক সমৰ্থন কৰি যুক্তি আগবঢ়াইছিল যে কুৱেটে ইৰাকৰ দিশত থকা ৰুমালীয়া তেল খাদৰ পৰা তেল আহৰণ কৰি আছিল। এনেদৰে কুৱেটে সৰ্বাধিক তেল আহৰণ কৰাৰ ফলত তেলৰ মূল্য হ্ৰাস পাইছিল। ইৰাক আৰু কুৱেটৰ মাজৰ সম্পৰ্ক অধিক জটিল কৰি তোলা কাৰণটো আছিল বুবিয়ান দ্বীপক লৈ দুয়োপক্ষৰ মাজত থকা আৰম্ভ বিবাদ। মুঠৰ ওপৰত ঐতিহাসিকভাৱে ইৰাকে কুৱেটক তেওঁৰ ৰাজ্যৰ এটা অংশ বুলি গণ্য কৰিছিল।

Scanned with CamScanner

ইৰাকে নিজৰ কাৰ্যৰ বাবে বিশ্বব্যাপি সমালোচনাৰ পাত্ৰ হৈছিল। ১৯৯০ চনৰ ৬ আগষ্টত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ইৰাকৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ আৰোপ কৰিছিল। ইয়াৰ পিছদিনাখনে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে আমেৰিকাৰ সামৰিক বাহিনী উপসাগৰীয় অঞ্চলত বৃদ্ধি কৰিছিল। ১৯৯০ চনৰ ২৯ নৱেম্বৰত নিৰাপত্তা পৰিষদে ছয় সপ্তাহৰ ভিতৰত কুৱেটৰ পৰা ইৰাকৰ বাহিনী উলিয়াই আনিবলৈ নিৰ্দেশ দি এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ সকলো সদস্যক কুৱেইট মুক্ত কৰাৰ উদ্দেশ্য সফল কৰিবলৈ প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিবলৈ ক্ষমতা প্ৰদান কৰিছিল যদিহে ইৰাকী বাহিনী ১৯৯১ চনৰ ১৫ জানুৱাৰীৰ ভিতৰত কুৱেইট ত্যাগ নকৰে। এই উল্লেখ কৰিবলগীয়া যে ৰাষ্ট্ৰসংঘই তৃতীয়বাৰৰ বাবে এনেদৰে শক্তি প্ৰয়োগৰ ক্ষমতা প্ৰদান কৰিছিল। কিন্তু ইৰাকে ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা মানি চলাত বিফল হোৱাত আমেৰিকা আৰু আন ২৮ খন ৰাষ্ট্ৰৰ সামৰিক বাহিনী কুৱেইট মুক্ত কৰাৰ বাবে ১৯৯১ চনৰ ১৭ জানুৱাৰীত সামৰিক আক্ৰমণ আৰম্ভ কৰিছিল। এই কাৰ্যও বিভিন্ন দিশৰ পৰা নিন্দনীয় আছিল এই কাৰণে যে সামৰিক উপায় অৱলম্বন কৰাৰ আগতে বিভিন্ন দিশৰ পৰা বুজাবুজিলৈ আহিবলৈ চেষ্টা কৰা হোৱা নাছিল।

যুদ্ধ ৪২ দিন ধৰি চলিছিল। এই সময়ছোৱাত ইৰাকত বোমাবৰ্ষণ কৰা হৈছিল, মিচাইল নিক্ষেপ কৰা হৈছিল, একেদৰে ইৰাকেও মিচাইল নিক্ষেপ কৰিছিল আৰু ইৰাক, কুৱেইট, চৌদি আৰব আৰু ইজৰাইলৰ প্ৰচুৰ ক্ষতি হৈছিল। ১৯৯১ চনৰ ২৮ ফেব্ৰুৱাৰীত যেতিয়া ইৰাকে ৰাষ্ট্ৰসংঘৰ সকলো প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু যুদ্ধ বন্ধ কৰিছিল তেতিয়া যুদ্ধৰ অন্ত পৰিছিল। ইৰাকে গুণগতভাৱে আত্মসমৰ্পণ কৰিছিল আৰু ইৰাকৰ ওপৰত অপমানজনক চৰ্ত আৰোপ কৰা হৈছিল।

এই যুদ্ধৰ ফলত ইৰাকৰ অসংখ্য লোকৰ প্ৰাণহানি হৈছিল। ইৰাকত ৮৫,০০০ ৰ পৰা ১০০,০০০ লৈ মানুহৰ মৃত্যু হৈছিল আৰু আঘাতপ্ৰাপ্ত হৈছিল। প্ৰায় ৮০,০০০ লোক বন্দী হৈছিল। অৱশ্যে মিত্ৰপক্ষৰ ক্ষয়-ক্ষতি সাধাৰণ আছিল। উপসাগৰীয় যুদ্ধৰ এটা উল্লেখযোগ্য দিশ আছিল এটা ধাৰণা চাৰিওফালে বিয়পি গৈছিল যে উপসাগৰীয় যুদ্ধখন প্ৰকৃততে আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব আৰু

Scanned with CamScanner

ইৰাকৰ ৰাষ্ট্ৰপতি চাদ্দান হুছেইনৰ মাজত ব্যক্তিগত যুদ্ধ আছিল এই কাৰণেই যে ৰাষ্ট্ৰপতি বুশ্বে চাদ্দাম হুছেইনৰ অপসাৰণৰ বাহিৰে আন সমস্যাবোৰ সমাধানৰ বাবে ইচ্ছুক নাছিল। ইয়াৰ উপৰিও তেওঁৰ আন এটা উদ্দেশ্য আছিল চাদ্দাম হুছেইনৰ বাগদাদৰ প্ৰবল যুদ্ধ কৰিব পৰা ক্ষমতা ধ্বংস কৰা।

Scanned with CamScanner